বাণী

দৈনন্দিন
নাৰ মন্দিৰ
র্য।

খলিল জিব্রান

# অসম আদিত্য

RNI
Port
e-ma

খ্যা ৩০৪ ■ ২৩ কাতি, ১৯৪৬ শক ■ শনিবাৰ, ৯ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, November 9, 2024 ■ Price Rs. 7 ■ ডিব্রুগড় আৰু গুৱাহাটীৰ

## আমাক এনেকুৱা পোহৰ লাগে যি পোহৰে নিজক জনাত সহায় কৰে ঃ ড° মহন্ত

# কানৈ মহাবিদ্যালয়ত ৰাজ্যিক পৰ্যায়ৰ আলোচনা-চক্ৰ



ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্রুগড়, ৮ নৱেম্বৰ ঃ আমাক এনেকুৱা পোহৰ লাগে যি পোহৰে নিজক জনাত সহায় কৰে। — ঐতিহ্যমণ্ডিত ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত আৰু বিচিএ বিভাগ, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত আজি অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত Eastern Regional Committee, National Council for Teacher Educationৰ অধ্যক্ষ ড° দিব্যজ্যোতি মহন্তই এইদৰে কয়। ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০’ৰ ওপৰত ভিত্তি কৰি ‘Empowering Teachers : Advancing Teacher Education in the Light of NEP-2020’ শীৰ্ষক বিষয়ত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ড° মহন্তই কয়— আমি বাহ্যিক পোহৰতকৈ আভ্যন্তৰীণ পোহৰক অধিক গুৰুত্ব দিব লাগে, কিয়নো বাহ্যিক পোহৰত আমি আমাৰ শৰীৰটো দেখা পাওঁ, কিন্তু আভ্যন্তৰীণ পোহৰত আমি আমাৰ শৰীৰৰ ভিতৰত লুকাই থকা সুপ্ত প্ৰতিভাসমূহ জানিব বা বুজিবলৈ সক্ষম হওঁ। যাৰ জৰিয়তে আমি নিজক সফলতাৰ বাটত আগুৱাই নিবলৈ সক্ষম হওঁ। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এনচিচিয়ে সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা আলোচনা চক্ৰখনিত ড° মহন্তই কয়— উচিত শিক্ষা আৰু প্ৰশিক্ষণৰ যোগেদি এজন সুদক্ষ শিক্ষক সৃষ্টিৰ জৰিয়তে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দ্বাৰা যুগুত কৰা পাঠ্যক্ৰমসমূহ ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত শিক্ষা প্ৰদান কৰাত সম্ভৱ হ’ব। এনে শিক্ষা তথা প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দি তেওঁ কয় যে— যেতিয়া শিক্ষা বা জ্ঞান আহৰণ পদ্ধতি বাধ্যতামূলক নহয়, তেতিয়া সেই শিক্ষা বা জ্ঞান আহৰণ পদ্ধতিক গুৰুত্বসহকাৰে লোৱা নহয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উদাহৰণ দাঙি ধৰি তেওঁ কয়— মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তনখনেই হয়তো বহু ছাত্ৰ-ছাত্ৰীয়ে চুই বা পঢ়ি পোৱা নাই। গুৰুজনাই বহুতো দিশত দক্ষতা বৃদ্ধিৰ বহু সমল দি থৈ গৈছে। যিবোৰ হয়তো আমি কেতিয়াও জানিবলৈ বা বুজিবলৈ চেষ্টা কৰা নাই। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আমাৰ ঐতিহ্য তথা সংস্কৃতি লগত লৈ আগুৱাই যাবৰ বাবে অনুপ্ৰাণিত কৰিছে। কানৈ মহাবিদ্যালয়ক আগুৱাই নিয়াৰ ক্ষেত্ৰত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই যি অহোপুৰুষাৰ্থ ভূমিকা গ্ৰহণ কৰিছে তাক তেওঁ ভূয়সী প্ৰশংসা কৰে। আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়ে আঁত ধৰা আলোচনা চক্ৰখনিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অধ্যাপিকা ড° আৰাধনা প্ৰিয়ম্বদা ভূঞাই মুখ্য বক্তাৰ চমু পৰিচয় দাঙি ধৰা আলোচনা চক্ৰখনিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকনকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে সমলব্যক্তি ড° মহন্তক ফুলাম গামোচা, চেলেং চাদৰ, কিতাপৰ টোপোলা, সম্বৰ্ধনা-পত্ৰ, স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক অংশুমান বৰঠাকুৰে।